# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

কৰ্ম মোৰ সংস্কৃতি

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


**প্ৰসংগ** : অজাবি/০০৯/১৮/২০২২-২৩ **তাৰিখ** : ২১-১০-২০২২
*Ref :* *Date :*

## অসম জাতীয় বিদ্যালয় ফেল'শ্বিপ আৰু অসম জাতীয় বিদ্যালয় সন্মান প্ৰদান

**নুনমাটি, ২১ অক্ট'বৰ** ঃ অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসে সমাজ জীৱনৰ বিভিন্ন কৰ্মক্ষেত্ৰলৈ বিশেষভাৱে অৱদান আগ বঢ়োৱা বৰেণ্য ব্যক্তিসকলক অসম জাতীয় বিদ্যালয় সন্মান প্ৰদান কৰি আহিছে। ইতিমধ্যে ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য, য়েছে দৰজে ঠংচি, ত্ৰৈলোক্য দত্ত, নুৰুদ্দিন আহমেদ, অচ্যুত লহকৰ, ৰঞ্জু হাজৰিকা, জিতু-তপন, বীৰুবালা ৰাভা, এলেন দেউৰী, আব্দুল মজিদ, দ্বীপেন বৰুৱা আদি বৰেণ্য ব্যক্তিসকলক অসম জাতীয় বিদ্যালয় সন্মান আগ বঢ়োৱা হৈছে।

২০২২ বৰ্ষৰ বাবে এই সন্মান জ্ঞানদা কাকতি, এলি আহমেদ, ড° বীৰেন্দ্ৰ নাথ দত্ত, ড° লক্ষহীৰা দাস আৰু ফণী চেতিয়ালৈ আগ বঢ়োৱা হৈছে। লগতে 'অসম জাতীয় বিদ্যালয় ফেল'শ্বিপ, ২০২২' বৰেণ্য চিত্ৰশিল্পী, কাৰ্টুনিষ্ট, বোলছবি পৰিচালক শ্ৰীপুলক গগৈদেৱলৈ আগ বঢ়োৱা হৈছে। আজি ২১ অক্ট'বৰ, ২০২২ তাৰিখে শাৰীৰিক অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি শ্ৰীপুলক গগৈদেৱৰ ঘৰলৈ গৈ 'অসম জাতীয় বিদ্যালয় ফেল'শ্বিপ' প্ৰদান কৰা হয়। একেদৰে লোক-সংস্কৃতিৰ গৱেষক, সংগীতজ্ঞ অধ্যাপক ড° বীৰেন্দ্ৰ নাথ দত্তক তেখেতৰ বাসগৃহতে 'অসম জাতীয় বিদ্যালয় সন্মান' প্ৰদান কৰা হয়। (অহা ৩০ অক্ট'বৰ, ২০২২ তাৰিখে ৰাজহুৱাকৈ অসম জাতীয় বিদ্যালয়ৰ চৌহদত আয়োজিত অনুষ্ঠানত 'অসম জাতীয় বিদ্যালয় ফেল'শ্বিপ' আৰু 'অসম জাতীয় বিদ্যালয় সন্মান' প্ৰদান কৰা হ'ব।) অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰী, সচিব ডা° নাৰায়ণ শৰ্মা, অধ্যক্ষ ঘনশ্যাম মেধি, অসম জাতীয় বিদ্যালয় পৰিচালনা সমিতিৰ অন্যতম সদস্য আৰু সাংবাদিক গৌতম শৰ্মা, শিক্ষক ডিম্পল তালুকদাৰ, ভাস্কৰজ্যোতি হালৈ আৰু অসীম কৃষ্ণ বৰুৱা সমন্বিতে এটা দল শ্ৰীপুলক গগৈ আৰু ড° বীৰেন্দ্ৰ নাথ দত্তৰ ঘৰলৈ গৈ ফেল'শ্বিপ আৰু সন্মান প্ৰদান কৰে। অসম জাতীয় বিদ্যালয় ফেল'শ্বিপত দুবছৰৰ বাবে মাহিলি ৫ হেজাৰ টকাকৈ দিয়াৰ লগতে স্মাৰক, অসম জাতীয় বিদ্যালয়ৰ প্ৰতীক সম্বলিত গামোচা, অংগবস্ত্ৰ, সম্বৰ্দ্ধনা পত্ৰ, অসম জাতীয় বিদ্যালয় ন্যাসৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থৰ টোপোলা আদি প্ৰদান কৰা হয়। একেদৰে অসম জাতীয় বিদ্যালয় সন্মানৰ সৈতে গ্ৰন্থৰ টোপোলা, সম্বৰ্দ্ধনা পত্ৰ, অংগবস্ত্ৰ, অসম জাতীয় বিদ্যালয়ৰ প্ৰতীক সম্বলিত গামোচা আৰু ২৫ হেজাৰ টকাৰ এককালীন পুঁজি আগ বঢ়োৱা হয়।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়